# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 05-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১।	জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমাগত তামিলনাডু আৰু পশ্চিমবংগৰ নিৰ্বাচনত বিজেপিৰ বৃহৎ জয়লাভ সুনিশ্চিত কৰিবলৈ দলৰ কাৰ্যকৰ্তাসকলক আহ্বান জনাইছে।

২।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ চৰকাৰী কাৰ্যসূচীৰে যোৱা নিশা ফ্ৰান্স আৰু লাক্সেমবাৰ্গ অভিমুখে ৰাওনা হৈছে।

৩।	ভাৰতে চীনক চেৰ পেলাই বিশ্বৰ সৰ্বাধিক ধান উৎপাদনকাৰী দেশ হিচাপে পৰিগণিত হৈছে।

৪।	অসমত আজি পুৱা ৪ বাজি ১৭ মিনিটত ৫ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যায়। ***আৰু***

৫।	অমিত পংঘল আৰু হাৰিয়ানাৰ সাগৰে গ্ৰেটাৰ নয়দাত অনুষ্ঠিত ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত এলীট পুৰুষ আৰু মহিলাৰ শাখাত জয়লাভ কৰিছে।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমাগত তামিলনাডু আৰু পশ্চিমবংগৰ নিৰ্বাচনত বিজেপিৰ বৃহৎ জয়লাভ সুনিশ্চিত কৰিবলৈ দলৰ কাৰ্যকৰ্তাসকলক আহ্বান জনাইছে। তেওঁ কয়, যে এন ডি এ মিত্ৰজোঁটে সমগ্ৰ দেশতে বিধানসভা নিৰ্বাচনত জয়লাভ কৰিছে আৰু এই জয়ৰ ধাৰা তামিলনাডু আৰু পশ্চিমবংগতো অব্যাহত থাকিব বুলি আশা কৰা হৈছে। তামিলনাডুৰ পুডুকট্টাইত কালি এখন জনসভাত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে কয়, যে ৰাজ্যখনত শাসনাধিষ্ঠিত দলটো পৰিয়ালকেন্দ্ৰিক শাসন তথা দুৰ্নীতিৰ ওপৰত আধাৰিত আৰু সেইবাবে ৰাজ্যখনৰ জনসাধাৰণে এইবাৰ এই দলক শাসনৰ পৰা ওফৰাই দিয়া উচিত। তেওঁ তামিলনাডুত এতিয়া এ আই এ ডি এম কে মিত্ৰজোঁটৰ সৈতে এন ডি এ চৰকাৰ গঠন কৰি শাসন কৰাৰ সময় আহি পৰিছে বুলি মন্তব্য কৰে। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে বিগত ১০ বছৰত ৰাজ্যখনলৈ ক্ৰমাগতভাৱে বৰ্ধিত পৰিমাণৰ পুঁজিৰ আৱণ্টন দি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০০৪ৰ পৰা ২০১৪ চনলৈ ইউ পি এ চৰকাৰে ৰাজ্যখনত বিভিন্ন প্ৰকল্পৰ বাবে ১ লাখ ৫৩ হাজাৰ কোটি টকাৰ আৱণ্টন দিয়াৰ বিপৰীতে ২০১৪ চনৰ পাছত নৰেন্দ্ৰ মোদী চৰকাৰে ১১ লাখ কোটি টকাৰ আৱণ্টন দিছে। তেওঁ উল্লেখ কৰে যে সংসদলৈ চেংগোল আনি আৰু চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতি পদৰ বাবে মনোনীত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তামিলনাডু তথা প্ৰাচীন তামিল ভাষা আৰু সংস্কৃতিক বিশেষ গুৰুত্ব দিছে। শ্ৰীশ্বাহে লগতে কলাধন বৈধকৰণ গোচৰ, চাকৰিৰ বিনিময়ত উৎকোচ লোৱা, বালি খনন, কয়লা খনন আদি বিভিন্ন গোচৰত অভিযুক্ত ডি এম কেৰ মন্ত্ৰীসকলৰ তালিকাও উল্লেখ কৰে। তেওঁ ডি এম কে দলে ৰাজ্যখনত ধৰ্মীয় সমদল উলিওৱাত বাধা প্ৰদান কৰি হিন্দুসকলৰ সাংবিধানিক অধিকাৰ উলংঘন কৰিছে বুলি অভিযোগ

তোলে। এই জনসভাত তামিলনাডুৰ নিৰ্বাচনী দায়িত্বত থকা দলীয় নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল আৰু অৰ্জুন ৰাম মেঘৱাল উপস্থিত থাকে।

উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুৰ তিৰুচীত উপস্থিত হয়। শ্ৰীশ্বাহে আজি শ্ৰীৰংগম মন্দিৰ দৰ্শন কৰাৰ লগতে পোংগাল উৎসৱত অংশগ্ৰহণ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰ চৰকাৰী কাৰ্যসূচীৰে যোৱা নিশা ফ্ৰান্স আৰু লাক্সেমবাৰ্গ অভিমুখে ৰাওনা হৈছে। এই ভ্ৰমণকালত ড০ জয়শংকৰে পেৰিছত ফ্ৰান্সৰ নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে দেশখনৰ বিদেশ মন্ত্ৰী জ্যা ন'ৱেল বেৰটৰ সৈতে মতবিনিময় কৰিব। দুয়োগৰাকী নেতাই ভাৰত-ফ্ৰান্স কৌশলগত অংশীদাৰিত্বৰ অধীনত লাভ কৰা অগ্ৰগতিৰ লগতে বিভিন্ন গুৰুত্বপূৰ্ণ গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ড০ জয়শংকৰে ৩১ সংখ্যক ফৰাচী ৰাষ্ট্ৰদূতসকলৰ সন্মিলনত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ড০ জয়শংকৰে লাক্সেমবাৰ্গ ভ্ৰমণ কৰি দেশখনৰ উপ-প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী জেভিয়াৰ বেটেল আৰু জ্যেষ্ঠ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লাক্সেমবাৰ্গত থকা ভাৰতীয় লোকসকলৰ সৈতেও মতবিনিময় কৰিব।

০০০০০

ভাৰতে চীনক চেৰ পেলাই বিশ্বৰ সৰ্বাধিক ধান উৎপাদনকাৰী দেশ হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চীনত ১৪ কোটি টন ধান উৎপাদন হোৱাৰ বিপৰীতে দেশত ধানৰ উৎপাদন ১৫ কোটি টনৰো অধিক হৈছে। দেশে এতিয়া বিশ্বৰ বজাৰত চাউল যোগান ধৰিছে বুলিও শ্ৰী চৌহানে মন্তব্য কৰে। ৰাষ্ট্ৰীয় ৰাজধানীত অনুষ্ঠিত এটা অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কালি ভাৰতীয় কৃষি গৱেষণা পৰিষদে বিকশাই তোলা ২৫ বিধ শস্যৰ ১৮৪টা উন্নত জাত মুকলি কৰে। মুকলি কৰা ১৮৪ টা উন্নত জাতৰ ভিতৰত ১২২ টা খাদ্য শস্য, ৬ টা মাহজাতীয়, ১৩ টা তৈলবীজ, ১১ টা খাদ্য শস্য, ৬ টা কুহিয়াৰ, ২৪ টা কপাহ, আৰু এটাকৈ মৰাপাট আৰু ধঁপাত আছে।

অনুষ্ঠানত ভাষণ দি শ্ৰী চৌহানে কয়, যে দেশে উচ্চ উৎপাদনক্ষম বীজৰ বিকাশৰ ক্ষেত্ৰত বহু সফলতা লাভ কৰিছে। এই নতুন জাতসমূহ কৃষকে যাতে সহজে লাভ কৰে তাৰ বাবেও মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। ১৮৪টা উন্নত জাতৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি তেও কয় যে এই জাতসমূহৰ দ্বাৰা কৃষকসকল উপকৃত হ'ব কাৰণ ইয়াৰ উৎপাদন অধিক হোৱাৰ লগতে মানদণ্ডও উন্নত হব। প্ৰতিজন কৃষকে যাতে উচ্চমানৰ বীজ লাভ কৰে তাৰ ওপৰতো শ্ৰীচৌহানে গুৰুত্ব আৰোপ কৰে। কৃষি বিজ্ঞানীসকলক মাহজাতীয় আৰু তৈলবীজৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

০০০০০

অসমত আজি পুৱা ৪ বাজি ১৭ মিনিটত ৫ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পৰ অভিকেন্দ্ৰ মৰিগাঁও জিলাৰ ধিং অঞ্চলত ভূ-পৃষ্ঠৰ পৰা ১০ কিলোমিটাৰ গভীৰত বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ জোকাৰণি বাংলাদেশ, ম্যানমাৰ, ভূটান, চীনতো অনুভূত হয়।

ooooo

দিল্লী বিধানসভাৰ শীতকালীন অধিৱেশন আজি আৰম্ভ হ'ব। চাৰিদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশন অহা ৮ জানুৱাৰীত অন্ত পৰিব। অধিৱেশনৰ সময়ছোৱাত পৰিৱেশ প্ৰদূষণ, শ্বিছমহল প্ৰকল্পৰ সৈতে সম্পৰ্কিত চি এ জিৰ প্ৰতিবেদন তথা দিল্লী জলবোৰ্ডকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হ'ব। অধিৱেশনৰ পূৰ্বে দিল্লী বিধানসভাৰ অধ্যক্ষ বিজেন্দৰ গুপ্তাই কালি বিধানসভাৰ প্ৰাংগণ পৰিদৰ্শন কৰি প্ৰশাসনিক আৰু ডিজিটেল ব্যৱস্থাসমূহ পৰ্যালোচনা কৰে। শ্ৰীগুপ্তাই কয়, যে শীতকালীন অধিৱেশনৰ সময়ছোৱাত সদনৰ মৰ্যাদা বজাই ৰাখি কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাটো নিশ্চিত কৰা হ'ব। তেওঁ লগতে কয়, যে এই অধিৱেশনত বিধায়কসকলে নিজ নিজ আসনত স্থাপন কৰা আইপেডৰ জৰিয়তে ৰাষ্ট্ৰীয় ই-বিধান এপ্লিকেচন ব্যৱহাৰ কৰিব। এই এপটোৱে সদনৰ কাম-কাজ চলি থকাৰ সময়ত বিধায়িনী কামসমূহ স্বচ্ছ, দক্ষ আৰু সৰলীকৃত কৰাত সহায় কৰিব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি গোৱাত ভাৰতীয় উপকুলৰক্ষী বাহিনীৰ প্ৰথমখন থলুৱাভাৱে নিৰ্মিত প্ৰদূষণ নিয়ন্ত্ৰণ জাহাজ 'সমুদ্ৰ প্ৰতাপ'ৰ জলাৰোহণ কৰিব। ১১৪ দশমিক ৫ মিটাৰ দৈৰ্ঘ্যৰ এই জাহাজখনৰ ৬০ শতাংশই স্বদেশী সামগ্ৰীৰে নিৰ্মাণ কৰা হৈছে। ৪ হাজাৰ ২০০ টন ওজন বিশিষ্ট জাহাজখনৰ প্ৰতিঘণ্টাত গতিবেগ হৈছে ২২ ন'টৰো অধিক আৰু ই একেবাৰতে ৬ হাজাৰ ন'টিকেল মাইল দূৰত্ব অতিক্ৰম কৰিব পাৰিব। এই জাহাজখনে সামুদ্ৰিক প্ৰদূষণ নিয়ন্ত্ৰণৰ উপৰি সামুদ্ৰিক আইন প্ৰয়োগ তথা সমুদ্ৰত উদ্ধাৰ অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে ভাৰতৰ বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ সুৰক্ষিত কৰাটো সুনিশ্চিত কৰিব। বিগত বৰ্ষৰ ডিচেম্বৰত গোৱা শ্বিপয়াৰ্ড লিমিটেডত উপকুলৰক্ষী বাহিনীক এই জাহাজখন আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হৈছিল। এই 'সমুদ্ৰ প্ৰতাপ' জাহাজখনে ভাৰতীয় উপকুলৰক্ষী বাহিনীৰ কাৰ্যকৰী ক্ষমতা বৃদ্ধি কৰাৰ লগতে সামুদ্ৰিক নিৰাপত্তা, পৰিৱেশ প্ৰদূষণ আৰু থলুৱা প্ৰতিৰক্ষা উৎপাদনত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক সুদৃঢ় কৰিব।

ooooo

দেশৰ চেমিকণ্ডাক্টৰ খণ্ড দ্ৰুতগতিত আগবাঢ়ি গৈছে আৰু স্বাস্থ্যসেৱা, পৰিবহণ, যোগাযোগ, প্ৰতিৰক্ষা, মহাকাশ আৰু ডিজিটেল আন্তঃগাঁথনিৰ দৰে ক্ষেত্ৰসমূহত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে।

দেশত ডিজিটীয়কৰণ ত্বৰান্বিত হোৱাৰ লগে লগে চেমিকণ্ডাক্টৰ খণ্ডৰ সমগ্ৰ বিশ্বতে চাহিদা বৃদ্ধি হৈছে। চৰকাৰে ছেমিকন ইণ্ডিয়া প্ৰগ্ৰেম আৰু ইণ্ডিয়া ছেমিকণ্ডাক্টৰ মিছন (আই এছ এম)ৰ জৰিয়তে, ঘৰুৱা চেমিকণ্ডাক্টৰ পৰিৱেশ তন্ত্ৰ আৰু যোগান শৃংখলক শক্তিশালী কৰি তুলিছে। ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ ডিজাইন লিংকড ইনচেন্টিভ (ডি এল আই) আঁচনি হৈছে দেশৰ ক্ষমতা অধিক বৃদ্ধি কৰাৰ বাবে ৰূপায়ন কৰা এটা পদ্ধতি।

এই আচনিয়ে উদ্ভাৱনৰ পৰা ৰূপায়নলৈ সহায় কৰাৰ লগতে এই আচনিৰ অধীনত ১০টা পেটেণ্ট দাখিল কৰা হৈছে, ১৬টা চিপ-ডিজাইন টেপ-আউট সম্পূৰ্ণ কৰা হৈছে আৰু ছটা

চেমিকণ্ডাক্টৰ চিপ সফলতাৰে নিৰ্মাণ কৰা হৈছে। ২০২১ চনৰ ডিচেম্বৰ মাহত আঁচনিখন আৰম্ভ হোৱাৰ পিছৰে পৰা বিভিন্ন ক্ষেত্ৰত ২৪টা চিপ-ডিজাইন প্ৰকল্প অনুমোদন দিয়া হৈছে। লগতে ৯৫টা কোম্পানীয়ে ইনডাষ্ট্ৰী গ্ৰেড ইলেক্ট্ৰনিক ডিজাইন অটোমেচন আৰু ইডিএ সঁজুলিৰ সুবিধা লাভ কৰিছে।

০০০০০

গ্ৰেটাৰ নয়দাৰ গৌতম বুদ্ধ বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত ২০১৮ৰ এছিয়ান গেমছৰ সোণৰ পদক বিজেতা অমিত পংঘল আৰু হাৰিয়ানাৰ সাগৰে এলীট পুৰুষ আৰু মহিলাৰ শাখাত জয়লাভ কৰিছে। বাণ্টামৱেইট শাখাত খেলা অমিতে বিহাৰৰ ওছমান মহম্মদ ছুলতানক হৰুৱাই এই জয় সাব্যস্ত কৰে। ইপিনে সাগৰে হেভিৱেইট শাখাত এখন ৰোমাঞ্চকৰ খেলত কেৰালাৰ এডউইনক পৰাস্ত কৰে। এইবাৰ প্ৰথমবাৰৰ বাবে একেটা স্থানত পুৰুষ আৰু মহিলাৰ ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত অনুষ্ঠিত হয়। প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ দহটা ওজন শাখাত দেশৰ মুঠ ৬০০ গৰাকী বক্সাৰে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত